জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১২৫/২০২২**

মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ ৪২৪ তম তিৰোভাৱ তিথিত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# মহাপুৰুষগৰাকীৰ আদৰ্শৰে এখন বৈষম্যহীন সমাজ নিৰ্মাণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০১ মে’ ঃ** সদৌ অসম দেৱদামোদৰ সংঘৰ উদ্যোগত বৃহত্তৰ বেলতলা আঞ্চলিক দেৱদামোদৰ সংঘৰ সৌজন্যত আৰু দক্ষিণ বৰসজাই মৈদাম দুৰ্গামন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত বৰসজাই মৈদাম দুৰ্গা মন্দিৰ চৌহদত আয়োজিত মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ ৪২৪ তম তিৰোভাৱ তিথিত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পঞ্চদশ শতিকাত যিকেইগৰাকী ক্ষণজন্মা মহাপুৰুষে ভাৰতবৰ্ষত আধ্যাত্মিক আন্দোলনক এক নৱৰূপ প্ৰদান কৰিছিল সেইসকলৰ ভিতৰত মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱ অন্যতম। তমসাচ্ছন্ন সমাজক পোহৰ দেখুৱাবলৈ আৰু আধ্যাত্মিক জীৱনধাৰাৰে সুশৃংখলিত এখন সমাজ নিৰ্মাণৰ বাবে মহাপুৰুষগৰাকীয়ে এক নতুন পথৰ সন্ধান দিছিল। জন্মক্ষণতে মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদ লাভ কৰিবলৈ সক্ষম হৈছিল। পঞ্চদশ শতিকাৰ অসমৰ সমাজ জীৱনক আগুৰি ধৰা অধৰ্মৰ কলীয়া ডাৱৰ আঁতৰ কৰিবলৈ শ্ৰীশ্ৰী হৰিদেৱ, শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী দামোদৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ আৰু শ্ৰীশ্ৰীভট্টদেৱ, এই পাঁচজন বৈষ্ণৱগুৰুৱে জন্ম গ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইকেইগৰাকী বৈষ্ণৱ গুৰুৰ বৈষ্ণৱ ভক্তি আদৰ্শই অসমক অধৰ্মৰ কৰালগ্ৰাসৰ পৰা মুক্ত কৰি এখন ঐক্যবদ্ধ, শিষ্ট সমাজ গঢ়িছিল আৰু অসমীয়া জাতিসত্ত্বাৰ শক্তিশালী বুনিয়াদ নিৰ্মাণ কৰিছিল।

বৈদিক বৈষ্ণৱ ভাগৱতী ধৰ্ম প্ৰচাৰক মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱৰ জীৱনকৃতি, ধৰ্মমত আৰু দৰ্শনৰ বিষয়ে আলোচনা কৰিব লাগিলেই শ্ৰীশ্ৰীভট্টদেৱৰ নাম উল্লেখ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীশ্ৰী দামোদৰদেৱৰ ধৰ্মমত আৰু দৰ্শনৰ প্ৰকৃত ধাৰক আৰু বাহক আছিল ভট্টদেৱ। মহাপুৰুষ ভট্টদেৱৰ কৃতিৰ বলতেই বলৱান হৈছিল দামোদৰীয়া মাৰ্গ আৰু দৰ্শন।শ্ৰীশ্ৰী ভট্টদেৱে বৈষ্ণৱ সাহিত্যৰ যি ৰোঁৱতী ধাৰা নমাই থৈ গ’ল, সেয়া আজিও অতুলনীয়, অবিস্মৰণীয়,দিগগজ। মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱৰ প্ৰেৰণাত শ্ৰীশ্ৰীভট্টদেৱে কথা ভাগৱত আৰু কথা গীতা লিখিছিল বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সনাতনী ঐতিহ্যত যি দুবিধ সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে, সেই দুই সংস্কৃতি হৈছে মঠ-মন্দিৰৰ স্থাপত্য-সংস্কৃতি আৰু সত্ৰ-সংস্কৃতি। সত্ৰ-সংস্কৃতিক পূৰ্ণাংগ ৰূপত বাস্তৱায়িত কৰা মহান কলাকাৰজন হ’ল মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৫৪০ খৃষ্টাব্দত বৰপেটাত পাটবাউসী সত্ৰ প্ৰতিষ্ঠা কৰি এই সত্ৰতেই গুৰুজনাই পৰৱৰ্তী সময়ত মহাপুৰুষ শ্ৰীশ্ৰী ভট্টদেৱক স্থলাভিষিক্ত কৰিছিল। সেয়াই অসমৰ প্ৰথমখন পূৰ্ণাঙ্গ সত্ৰ বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱৰ ধৰ্মমত বিশুদ্ধ সনাতনীয়, বেদ আধাৰিত গীতাশ্ৰয়ী আৰু একেশ্বৰবাদী। মহাপুৰুষ দামোদৰদেৱৰ প্ৰৱৰ্তিত আৰু প্ৰচাৰিত ভাগৱততোক্ত ভক্তি-মাৰ্গৰ অন্তৰালত অন্তৰংগ ভক্তি আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই নিষ্কাম মানসিকতা আৰু সৰ্বজীৱত সমভাব মনোভাৱ পোষণ কৰি নিজৰ জীৱন দৰ্শনত তাক প্ৰতিফলিত কৰিছিল। সমাজৰ অনগ্ৰসৰ, অৱহেলিত লোকৰ মানসিক উৎকৰ্ষ সাধন আৰু আধ্যাত্মিক সংস্কাৰ সাধনৰ বাবে মহাপুৰুষগৰাকীয়ে কাম কৰি গৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে সত্ৰৰ জৰিয়তে গুৰুজনাই বিৰল সমাজসেৱাৰ দৃষ্টান্ত ৰাখি গৈছে। জাত-কুলৰ প্ৰভেদ নিবিচাৰি, পুৰুষ-মহিলাক এক আত্মসম জ্ঞান কৰি গুৰুজনাই বৈদিক বৈষ্ণৱ ভাগৱতী ধৰ্মৰ ডোলেৰে আমাক যি বান্ধ খুৱাই গ'ল, সি আজিও অম্লান হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ দামোদৰদেৱৰ দৰে মহাপুৰুষসকলে বেদ-উপনিষদৰ জৰিয়তে আমাক যি শিক্ষা প্ৰদান কৰি গৈছে, সেয়া আমি দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বেদত কোনো ধৰণৰ বৈষম্যৰ কথা কোৱা নাই আৰু সেই আদৰ্শৰে আমি ঐক্যবদ্ধ সমাজ গঢ়িব লাগিব। তেওঁ লগতে কয় বেদৰ নীতিসমূহ আমি জীৱনশৈলীত প্ৰয়োগ কৰাটো অতিশয় গুৰুত্বপূৰ্ণ।

মহাপুৰুষ ভট্টদেৱৰ লেখীয়াকৈ মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰদেৱৰ নামতো এখন বিশ্ববিদ্যালয় গঢ়ি তোলাৰ দিশতো ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**অঃহাঃ / পুঃডেঃ**
**০১-০৫-২০২২**